# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইটালীৰ এদিনীয়া ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ইটালী ভ্ৰমণক ফলদায়ক হিচাপে বৰ্ণনা কৰিছে। শ্ৰী মোদীয়ে বিভিন্ন বিষয়কলৈ বিশ্ব নেতাসকলৰ সৈতে হোৱা আলোচনাত আলোকপাত কৰে। তেওঁ লগতে বিশ্ব সম্প্ৰদায়ক উপকৃত কৰিব পৰা কেতবোৰ সিদ্ধান্ত আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুন্দৰ পৃথিৱী তৈয়াৰ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও উল্লেখ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সৈতে বিভিন্ন গোলকীয় বিষয়ত ফলপ্ৰসু আলোচনাত সহায় কৰা বুলি প্ৰকাশ কৰিছে। লগতে এই সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব বৃদ্ধিতো এই ভ্ৰমণে ভূমিকা লোৱা বুলি মন্ত্ৰালয়ে জনাইছে।

ইটালী ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনি, ব্ৰিটেইনৰ প্ৰধানন্ত্ৰী ঋষি চুনাক, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিসহ সাতগৰাকী বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ বিষ্ণুনগৰত নতুনকৈ নিৰ্মাণ কৰা ন্যায়িক আদালতৰ ভৱনৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ২৫ কোটি টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। এই ভৱনটো উদ্বোধন কৰাৰ লগে লগে সকলো ন্যায়িক কাৰ্য একেটা ভৱনতে সম্পন্ন হ'ব। আদালত ভৱনটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ লগতে ৰাজ্যত ন্যায়ৰ সুবিধা সুনিশ্চিত কৰাৰ চেষ্টা চলাই আহিছে। তেওঁ অধিবক্তাসকলক নতুন ন্যায় সংহিতা দৰ্শনৰ লগত সংপৃক্ত হৈ জনসাধাৰণক ক্ষীপ্ৰভাৱে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত ব্ৰতী হ'বলৈ আহ্বান জনায়। ইয়াৰ উপৰি বাল্যবিবাহ আৰু নাৰী নিৰ্যাতনৰ ঘটনাত জড়িত গোচৰসমূহত অপৰাধী যাতে সাৰি নাযায় তাৰ বাবে অধিবক্তাসকলক পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। চৰকাৰৰ বাবে যাতে কোনো ধৰণৰ গোচৰৰ নিষ্পত্তিৰ প্ৰক্ৰিয়াটো লেহেমীয়া নহয় তাৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ সমগ্ৰ ৰাজ্যতে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিৱসাগৰ জিলা আদালত একেটা ভৱনত উদ্বোধন হোৱাৰ লগে লগে আইনী প্ৰক্ৰিয়া ক্ষীপ্ৰতাৰে নিষ্পত্তি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। লগতে এই পদক্ষেপৰ জৰিয়তে শিৱসাগৰ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বাসিন্দাসকলে সুলভ আৰু কাৰ্যক্ষম আইনী সেৱা লাভ কৰিব বুলি তেওঁ কয়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই অংশগ্ৰহণ কৰি উদ্বোধন কৰা নতুন ভৱনে আইন সেৱাৰ

সৈতে জড়িত সকলো ন্যায়িক বিষয়া তথা অধিবক্তাসকলৰ কামক অধিক গতি প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন ২৪ জুনৰ পৰা অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংসদৰ কামকাজ সুচাৰুৰূপে চলোৱাৰ বাবে সকলোৰে সৈতে একেলগে কাম কৰিবলৈ চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰিছে। প্ৰথম অধিৱেশনৰ গুৰুত্বত আলোকপাত কৰি শ্ৰী ৰিজিজুৱে কয় যে, এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ, অধ্যক্ষৰ নিৰ্বাচন আৰু সংসদৰ দুয়োখন সদনত ৰাষ্ট্ৰপতিয়ে ভাষণ দিয়াৰ নিয়ম আছে।

সামাজিক মাধ্যমৰ এটা পোষ্টত মন্ত্ৰী ৰিজিজুৱে আশা প্ৰকাশ কৰে যে, সকলো নৱনিৰ্বাচিত সদস্যই ভাৰতীয় সংসদৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাষ্ট্ৰৰ সেৱা কৰিবলৈ সহায় কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যসভাৰ অধিৱেশনো ২৭ জুনত আৰম্ভ হ'ব। দুয়োখন সদনৰ অধিৱেশন ৩ জুলাইত সমাপ্ত হ'ব।

০০০০০

চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা অসমীয়া ভাষাত **বিপন্ন বিস্ময় খেল** নামৰ উপ্যানাসৰ বাবে ৰঞ্জু হাজৰিকাই আৰু বড়ো ভাষাত **বুহুমা বৈনীবৰ** নামৰ কাব্য গ্ৰন্থৰ বাবে ভাৰ্জিন জেক'ভা মছাহাৰীয়ে লাভ কৰিছে। আনহাতে সাহিত্য একাডেমী যুৱ পুৰস্কাৰ অসমীয়া ভাষাত **জাল কটা জুই** গল্প সংকলনৰ বাবে নয়নজ্যোতি শৰ্মালৈ আৰু বড়ো ভাষাত **চাইখ্লাম** নামৰ গল্প সংকলনৰ বাবে SELF MADE ৰাণী বড়োলৈ আগবঢ়োৱা হৈছে। আনহাতে বাংলা ভাষাত **দেৰাজে হলুদ ফুল** শীৰ্ষক কবিতা সংকলনৰ বাবে অসমৰ ছুতপা চক্ৰৱৰ্তীয়ে যুৱ পুৰস্কাৰ লাভ কৰিছে।

০০০০০

চাংলাং উত্তৰ সমষ্টিৰ বিধায়ক টেছম পংগতে আজি অৰুণাচল প্ৰদেশৰ অষ্টম বিধানসভাৰ অধ্যক্ষ হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। বিধানসভাৰ অধ্যক্ষ নিৰ্বাচনেৰে বিশেষ অধিৱেশন আৰম্ভ হয়। কাৰ্যবাহী অধ্যক্ষ নিনং ইৰিঙে কোনো প্ৰতিদ্বন্দ্বিয়ে মনোনয়ন পত্ৰ দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত টেছম পংগতে বিনা প্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। অধ্যক্ষৰ আসন গ্ৰহণ কৰি শ্ৰী পংগতেই তেওঁক এই পদৰ বাবে নিৰ্বাচন কৰাৰ বাবে সদনক ধন্যবাদ জনায়। লগতে পদবীৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰা অক্ষুণ্ণ ৰাখি দায়িত্ব পালন কৰি যাব বুলিও তেওঁ প্ৰকাশ কৰে। সদনৰ প্ৰতিগৰাকী সদস্যক ন্যায় প্ৰদানৰ বাবে তেওঁ প্ৰতিশ্ৰুতিবদ্ধ বুলিও শ্ৰী পংগতে উল্লেখ কৰে। অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে শ্ৰী পংগতে মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শুভেচ্ছা জনোৱাৰ লগতে অনাগত দিনত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি প্ৰকাশ কৰে। লিকাবিলৰ বিধায়ক কাৰ্ডো য়িগয়'ৰ উপাধক্ষ্য হিচাপে নিৰ্বাচিত হয়।

ইপিনে, মুখ্যমন্ত্ৰী পেমা খাৰ্জুৱে আজি মন্ত্ৰীসভাৰ সদস্যসকলৰ মাজত পদবী বিতৰণ কৰে। ১২ জনীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ ৯ গৰাকী নতুন সদস্য আছে। উপ মুখ্যমন্ত্ৰী ছোনা মেইনক বিত্ত, পৰিকল্পনা আৰু বিনিয়োগ তথা শক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পাছাং দৰ্জী চোনাক শিক্ষা আৰু গ্ৰামোন্নয়ন, বিউৰাম ৱাহাগেক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বাংকিলঙক পৰিবেশ আৰু বন বিভাগৰ দায়িত্ব অৰ্পন কৰা হৈছে। একেদৰে দাছাংলু পুলত মহিলা আৰু শিশু বিকাশ সাংস্কৃতিক পৰিক্ৰমা  বিজ্ঞান আৰু প্ৰযুক্তি  বিভাগৰ দায়িত্ব  দিয়া হৈছে। ০০০০

০০০০০

সমাপ্ত